আমাৰ অসম

# কেম্ব্ৰিজ স্কুলৰ উদ্যোগত হ'প-২০১১

**গুৱাহাটী, ১৩ নৱেম্বৰ ঃ** গুৱাহাটীৰ লখৰাস্থিত কেম্ব্ৰিজ স্কুলে অৰ্থনৈতিক তথা সামাজিকভাৱে পিছপৰা শিশুৰ সাহায্যাৰ্থে 'হ'প-২০১১' শীৰ্ষক এটা অনুষ্ঠান অনুষ্ঠিত কৰে। শিশু দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয় কৰ্তৃপক্ষই শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহৰ উদ্দেশ্যে এই বিশেষ অনুষ্ঠানটোৰ আয়োজন কৰে। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মীসকলে অনুষ্ঠানত খাদ্য আৰু খেল সামগ্ৰীৰ বিপণীৰ জৰিয়তে উপস্থিত ছাত্ৰ-ছাত্ৰী- অভিভাৱকসকলৰ পৰা সংগ্ৰহ কৰা ধনৰ ২০ শতাংশ বৰঙণিৰ অৰ্থে আগবঢ়ায়। বহুসংখ্যক অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীয়ে কাপোৰ, জোতা-চেণ্ডেল, পেঞ্চিল, বহী, খাদ্য সামগ্ৰীৰ লগতে বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী দুৰ্ভগীয়া শিশুসকলৰ কল্যাণৰ বাবে দান কৰে। সংগৃহীত সামগ্ৰীসমূহ মাতৃ ভৱন, স্নেহালয়ৰ লগতে আন স্থানত থকা অনাথ শিশুসকলৰ মাজত বিতৰণ কৰা হ'ব বুলি জনায় বিদ্যালয় কৰ্তৃপক্ষই। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি সাংস্কৃতিক কাৰ্যসূচীও মুকলি কৰা হয়। উক্ত কাৰ্যসূচী উদ্বোধন কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি চিৰঞ্জীত চৌধুৰীয়ে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক শ্ৰদ্ধাঞ্জলি জনাই অনুষ্ঠানত ৰিয়া গগৈয়ে এটা ভূপেন্দ্ৰ সংগীতৰ নৃত্য প্ৰদৰ্শন কৰে। অনুষ্ঠানত শিল্পী কমল কটকীয়ে ভূপেন হাজৰিকাৰ স্মৃতি ৰোমন্থন কৰে। অনুষ্ঠানটোত অনুজ দাসে যাদু আৰু শৈলেন বৈশ্যই কুইজ পৰিচালনা কৰে।

আজিৰ দৈনিক বাতৰি

# ব্যতিক্ৰমী অনুষ্ঠানেৰে 'দ্য কেমব্ৰীজ স্কুল'ৰ শিশু দিৱ

গৰ প্ৰতিবেদক, ১৩ নৱেম্বৰ ঃ 'দ্য কেমব্ৰীজ
'উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম আৰু একমাত্ৰ
ৰাষ্ট্ৰীয় বিদ্যালয়। কেমব্ৰীজ বিশ্ববিদ্যালয়ৰ
ত পৰিচালিত বিদ্যালয়খনে বৰ্তমান সমগ্ৰ
তে এক সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে।
ৰ্যপূৰ্ণ যে অহা ১৪ নৱেম্বৰত শিশু দিৱস
ক্ষে আজি বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰে
্যতিক্ৰমী অনুষ্ঠান। শিশু দিৱসৰ দিনা দুখীয়া,
শিশুৰ বাবে উপহাৰ দিবৰ বাবে ছাত্ৰ-ছাত্ৰী
শিক্ষক -শিক্ষয়িত্ৰীসকলৰ সহযোগত বিদ্যালয়
ত বিভিন্ন খাদ্য আৰু খেলা সামগ্ৰীৰ বিক্ৰীৰ
কৰে। বিক্ৰী কৰি পোৱা ধন দুখীয়া ল'ৰা-
লীৰ মাজত কালিলৈ আৰ্থিক সাহায্য হিচাপে
ঢ়াব। লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু
াৱকে তেওঁলোকৰ কাপোৰ আৰু পাঠ্যপুথি
াঢ়াৰ সামগ্ৰীয়ো দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে আজি

সংগ্ৰহ কৰি কালিলৈ বিলাই দিয়াৰ ব্যৱস্থা কৰি
উল্লেখ্য যে বিদ্যালয় পৰিচালনা কমিটীৰ ত
চিৰঞ্জীৱ চলিহাই ছাত্ৰ-ছাত্ৰী আৰু শি
শিক্ষয়িত্ৰীসকলে লোৱা এই প্ৰসংসনীয় পদক্ষে
প্ৰশংসা কৰাৰ লগতে তেওঁ সহযোগিতা আগব
বিদ্যালয়ৰ অধ্যক্ষ পুলক ভট্টাচাৰ্যই জনায় যে
ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশ তথা মনোৰঞ্জনৰ
আজি বিদ্যালয়ত কুইজ, সংগীত আৰু নৃত্যানুষ্ঠা
আয়োজন কৰা হয়। স্মৰ্তব্য যে বিদ্যালয়ৰ
অনুষ্ঠানত সকলো ছাত্ৰ-ছাত্ৰীয়ে আন্তৰিক
সহযোগ কৰাৰ কথা বিদ্যালয় ছাত্ৰ-ছাত্ৰ
আন্তৰিকতাৰে সহযোগ কৰাৰ কথা বিদ্যালয়ৰ
শ্ৰীয়ান জৈন, ঋষভ বেনজানী, কুনাল ডেকা
মণিশংকৰ বৰাই জানিবলৈ দিয়ে। বিদ্য
কৰ্তৃপক্ষই লোৱা এই প্ৰশংসনীয় পদক্ষে
উপস্থিত সকলোৰে সলাগ লয়।